**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

ooooo

১।  চৰকাৰে সীমান্ত সুৰক্ষা বাহিনীক অতিৰিক্ত দায়িত্ব অৰ্পণ কৰাৰ কথা বিবেচনা কৰিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

২।  পশ্চিম এছিয়াৰ অপৰিৱৰ্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ৰাজহুৱা খণ্ডৰ তৈল বিপণন কোম্পানীসমূহক কমেও ৩০ দিনৰ বাবে ৰন্ধন গেছৰ ভাণ্ডাৰ সংৰক্ষিত কৰি ৰাখিবলৈ নিৰ্দেশ দিছে।

৩।  কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে সমগ্ৰ শিক্ষা অভিযানৰ অধীনত পুঁজি মুকলি আৰু ইয়াৰ সদ-ব্যৱহাৰৰ পৰ্যালোচনা কৰে।

৪।  মণিপুৰৰ উখৰুল জিলাত কালি পুৱা অচিনাক্ত সশস্ত্ৰ দুৰ্বৃত্তই ভাৰতীয় খাদ্য নিগমৰ এখন ট্ৰাকত কৰা আক্ৰমণত এজন লোক নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। *আৰু*

৫।  আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

নতুন নিৰাপত্তা প্ৰত্যাহ্বানৰ সৈতে মুখামুখি হোৱাৰ ব্যৱস্থা অধিক কাৰ্যকৰী কৰি তোলাৰ বাবে চৰকাৰে সীমান্ত সুৰক্ষা বাহিনীক অতিৰিক্ত দায়িত্ব অৰ্পণ কৰাৰ কথা বিবেচনা কৰিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। গুজৰাটৰ ভূজত কালি ভাৰত-পাকিস্তান সীমান্তত কৌশলগতভাৱে গুৰুত্বপূৰ্ণ দুটা নতুন সীমান্ত চকী উদ্বোধন কৰাৰ পাছত বি এছ্ এফৰ জোৱানসকলৰ সৈতে মত বিনিময়ৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এইকথা উল্লেখ কৰে। তেওঁ কয়, যে বি এছ্ এফৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱসত বি এছ্ এফৰ সীমান্ত সুৰক্ষাৰ অৱধাৰণাক সম্পূৰ্ণৰূপে সলনি কৰাৰ সিদ্ধান্ত লোৱা হয়। শ্ৰীশ্বাহে সীমান্ত সুৰক্ষাৰ পৰম্পৰাগত দৃষ্টিকোণক সলনি কৰি আঞ্চলিক নিৰাপত্তাৰ নতুন অৱধাৰণা স্থাপনৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে এই পদক্ষেপত বি এছ্ এফৰ জোৱানসকলৰ উপৰি জনসাধাৰণ, অসামৰিক প্ৰশাসন, স্থানীয় আৰক্ষী আৰু সেনা বাহিনীৰো প্ৰাথমিক দায়বদ্ধতা থাকিব। তেওঁ লগতে কয়, যে স্মাৰ্ট সীমান্ত সুৰক্ষা প্ৰকল্পৰ অধীনত সীমান্ত অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। হাজাৰ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে সীমান্তত নিয়োজিত ড্ৰোন, ৰাডাৰ, নিৰীক্ষণ টাৱাৰ, অত্যাধুনিক প্ৰযুক্তি তথা নিৰাপত্তাৰক্ষীসকলে এটা শক্তিশালী সুৰক্ষা তন্ত্ৰ গঢ়ি তুলিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আশা ব্যক্ত কৰে।

পশ্চিমবংগৰ সৈতে সংলগ্ন বাংলাদেশ সীমান্তৰ প্ৰসংগ উল্লেখ কৰি শ্ৰীশ্বাহে কয়, যে ৰাজ্যখনৰ সীমান্তত অসম্পূৰ্ণ হৈ থকা সীমান্ত বেৰ হৈছে দেশৰ নিৰাপত্তা ব্যৱস্থাৰ এটা বৃহৎ আঁসোৱাহ। অৱশ্যে

ৰাজ্যখনত বৰ্তমান নতুন চৰকাৰ গঠনৰ পাছত এই দীৰ্ঘদিনীয়া সমস্যাৰ অন্ত পৰিছে বুলি শ্ৰীশ্বাহে কয়। বৰ্তমানৰ পশ্চিমবংগ চৰকাৰে এসপ্তাহৰ ভিতৰতে সীমান্ত বেৰৰ বাবে ভূমি চিনাক্ত কৰিছে। এই বেৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ অনুপ্ৰৱেশকাৰীৰ সমস্যা ৰোধ কৰিব পৰা যাব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আশা ব্যক্ত কৰে।

ooooo

পশ্চিম এছিয়াৰ সংঘৰ্ষৰ ফলত গোলকীয় শক্তি যোগান ব্যৱস্থা ব্যাহত হৈ থকাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ৰাজহুৱা খণ্ডৰ তৈল বিপণন কোম্পানীসমূহক কমেও ৩০ দিনৰ বাবে ৰন্ধন গেছৰ ভাণ্ডাৰ সংৰক্ষিত কৰি ৰাখিবলৈ নিৰ্দেশ দিছে। পশ্চিম এছিয়াৰ সংঘৰ্ষ সন্দৰ্ভত কালি এখন আন্তঃমন্ত্ৰী পৰ্যায়ৰ সংবাদমেলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই এই কথা প্ৰকাশ কৰে। ইন্ধনৰ যোগানৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা সুৰক্ষামূলক ব্যৱস্থাসমূহত আলোকপাত কৰি শ্ৰীমতী শৰ্মাই কয়, যে দেশে খনিজ তেলৰ ভাণ্ডাৰৰ ক্ষমতা বৃদ্ধি কৰাৰ দিশতো কাম কৰি আছে। তেওঁ কয়, যে চৰকাৰে কৌশলগত ভাণ্ডাৰৰ জৰিয়তে ইন্ধন নিৰাপত্তা শক্তিশালী কৰা আৰু নিৰৱচ্ছিন্নভাৱে বাবে যোগান সুনিশ্চিত কৰাৰ বাবেও কাম কৰি আছে। চৰকাৰে লগতে ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত তৈল বিপণন কোম্পানী, ইণ্ডিয়ান অইল ক'ৰ্পৰেচন, ভাৰত পেট্ৰ'লিয়াম আৰু হিন্দুস্তান পেট্ৰ'লিয়ামক অতিৰিক্ত ভাণ্ডাৰৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছে বুলি যুটীয়া সচিবগৰাকীয়ে প্ৰকাশ কৰে।

শ্ৰীমতী শৰ্মাই কয়, যে দেশত পৰ্যাপ্ত পৰিমাণৰ পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছ, খনিজ তেল আৰু প্ৰাকৃতিক গেছ মজুত আছে আৰু প্ৰতিদিনে প্ৰায় ৯২ হাজাৰ মেট্ৰিক টন ৰন্ধন গেছ উৎপাদন কৰি থকা হৈছে।

ooooo

সমগ্ৰ শিক্ষাৰ তৃতীয় পৰ্যায়ক অধিক কাৰ্যকৰী, স্বচ্ছ আৰু ফলপ্ৰসূ কৰি তোলাৰ লক্ষ্যৰে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কালি এখন বৈঠকত সমগ্ৰ শিক্ষা অভিযানৰ অধীনত পুঁজি মুকলি আৰু ইয়াৰ সদ-ব্যৱহাৰৰ পৰ্যালোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীপ্ৰধানে কয়, যে চলিত বৰ্ষৰ পৰা সমগ্ৰ শিক্ষা অভিযান, পি এম পোষণ, পি এম শ্ৰী, উল্লাস আৰু আন মুখ্য আঁচনিসমূহৰ সমন্বয়ৰ জৰিয়তে সংহত দৃষ্টিভংগী গ্ৰহণ কৰা হ'ব। তেওঁ কয়, যে এই পদক্ষেপে সমগ্ৰ বিদ্যালয় শিক্ষা পৰিস্থিতি তন্ত্ৰত সহযোগিতা বৃদ্ধি কৰাতো সুনিশ্চিত কৰিব। কালিৰ বৈঠকত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত সহযোগিতা শক্তিশালী কৰাৰ বিষয়তো আলোচনা কৰা হয়। শ্ৰীপ্ৰধানে কয়, যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উদ্ভাৱন, পৰিপুষ্টি, দক্ষতা বিকাশ, ক্ৰীড়া আৰু কলাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদানেৰে নতুন শিক্ষানীতি ২০২০ ৰূপায়ণত নতুনকৈ গুৰুত্ব আৰোপ কৰা হৈছে। এনে প্ৰচেষ্টাই সবল শিক্ষাৰ্থী গঢ়ি তোলাৰ লগতে বিকশিত ভাৰত ২০৪৭ৰ বাবে আৱশ্যকীয় মানৱ সম্পদ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

মণিপুৰৰ উখৰুল জিলাৰ ২০২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি পুৱা অচিনাক্ত সশস্ত্ৰ দুৰ্বৃত্তই ভাৰতীয় খাদ্য নিগমৰ এখন ট্ৰাকত আক্ৰমণ কৰে। দুৰ্বৃত্তৰ আক্ৰমণত ট্ৰাকখনৰ চালকজনৰ মৃত্যু হোৱাৰ লগতে এজন আৰক্ষীৰ জোৱান গুলীবিদ্ধ হয়। জোৱানজনক ইম্ফলৰ এখন হাস্পতালত ভৰ্তি কৰোৱা হয়। আৰক্ষীৰ সূত্ৰই জনোৱা মতে উখৰুল জিলাৰ লিটন আৰক্ষী থানাৰ অধীনৰ লেইনগংচিং আৰু টিএম

কাচুংগাঁৱৰ মাজত দুৰ্বৃত্তই ট্ৰাকখনত আক্ৰমণ চলায়। মৃত ট্ৰাক চালকজন পশ্চিমবংগৰ নিবাসী আছিল। মণিপুৰৰ গৃহমন্ত্ৰীয়ে ইম্ফলৰ জৱাহৰলাল নেহৰু চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানত ভৰ্তি হৈ থকা আহত জোৱানজনৰ স্বাস্থ্যৰ বুজ লৈ তেওঁৰ আশু আৰোগ্য কামনা কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ৰাজ্যখনৰ গৃহমন্ত্ৰীগৰাকীয়ে এই ঘটনাৰ তদন্ত কৰা হ'ব আৰু দোষীক উচিত শাস্তি প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে। মণিপুৰৰ মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দ সিঙে এই ঘটনাৰ কঠোৰ ভাষাৰে গৰিহণা দিছে।

ooooo

মেঘালয়ৰ ৰাজ্যসভা আসনখনৰ বাবে অহা ১৮ জুনত দ্বিবাৰ্ষিক নিৰ্বাচন অনুষ্ঠিত হ'ব। মুখ্য নিৰ্বাচনী বিষয়া ড০ বি ডি আৰ তিৱাৰীয়ে ৰাজনৈতিক দলসমূহৰ সৈতে অনুষ্ঠিত দ্বিবাৰ্ষিক নিৰ্বাচন সম্বন্ধীয় বৈঠকৰ পাছতে কালি এই কথা ঘোষণা কৰে। উল্লেখযোগ্য যে বৰ্তমানৰ মেঘালয়ৰ ৰাজ্যসভাৰ সাংসদৰ কাৰ্যকাল অহা ২১ জুনত সামৰণি পৰিব। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কৈছে যে, অধিসূচনা জাৰি কৰাৰ পাছতে অহা পহিলা জুনত মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৮ জুন মনোনয়ন দাখিল কৰাৰ অন্তিম দিন। ৯ জুনত মনোনয়ন পৰীক্ষা কৰা হ'ব। প্ৰাৰ্থীসকলে ১১ জুনৰ ভিতৰত মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ১৮ জুনত পুৱা ৯ বজাৰ পৰা বিয়লি ৪ বজালৈ ভোটগ্ৰহণ কৰা হ'ব আৰু একেদিনাই সন্ধিয়া ৫ বজাৰ পৰা ভোটগণনা কৰা হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। গুজৰাট টাইটানছে ২১৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি সুন্দৰ বেটিঙেৰে ১৮ অভাৰ ৪টা বলত ৩ উইকেটৰ বিনিময়ত অনায়াসে নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। গুজৰাজ দলৰ অধিনায়ক শুভমন গিলে ৫৩টা বলত ১০৪ ৰান কৰাৰ লগতে ছাই সুদৰ্শনে ৫৮ ৰান কৰে। শুভমন গিলক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় আৰু নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২১৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৯৬ ৰানৰ সুন্দৰ ইনিংছ খেলাৰ লগতে ৰবীন্দ্ৰ জাদেজাই ৪৫ ৰানৰ বৰঙণি আগবঢ়ায়। গুজৰাট টাইটানছৰ হৈ কাগিছ' ৰাবাডা আৰু জেচন হলডাৰে দুটাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত কাইলৈ আহমেবদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত